**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-April-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক আৰু বিৰোধী দলৰ প্ৰাৰ্থীসকলে জনসভা, ৰোড শ্ব'ৰ জৰিয়তে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। তাৰকা প্ৰচাৰকসকলেও দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গোলকগঞ্জ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ধুবুৰীত প্ৰচাৰ সভাত অংশ ল'ব। শ্ৰীশ্বাহে দুধনৈ আৰু পলাশবাৰীত নিৰ্বাচনী সভাত ভাষণ দিব। জ্যেষ্ঠ নেতাগৰাকীয়ে কালি অসম গণ পৰিষদৰ প্ৰাৰ্থী কেশৱ মহন্তৰ হৈ কলিয়াবৰত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছ দলে তেওঁলোকৰ শাসনকালত ৰাজ্যখনক অৱহেলা কৰা বুলি অভিযোগ তুলি বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে বিগত ১০ বছৰত ৰাজ্যখনৰ বিকাশৰ বাবে এক লাখ ৭৮ হাজাৰ কোটি টকা আৱণ্টন দিয়া বুলি উল্লেখ কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে কালি পলাশবাৰীত বিজেপি প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্যৰ হৈ প্ৰচাৰ চলায়। ৰাণীত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিগত দশকত অসমত পথ পৰিবহণ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন হোৱা বুলি উল্লেখ কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই খোৱাং, দুলীয়াজান, ডিগবৈ আৰু ডিব্ৰুগড়ত কালি প্ৰচাৰ চলায়।

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নাহৰকটীয়াত বিজেপি প্ৰাৰ্থী তৰংগ গগৈৰ হৈ প্ৰচাৰ চলাই এইবাৰৰ নিৰ্বাচনত প্ৰাৰ্থীগৰাকীৰ জয় নিশ্চিত বুলি প্ৰকাশ কৰে।

বাইট

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰাহুল গান্ধীয়ে কালি কাৰ্বি আংলং জিলাৰ বোকাজান আৰু তিতাবৰৰ কাছজান চাহ বাগিচাত আয়োজিত জনসভাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

০০০০০০

বিধানসভা নিৰ্বাচন উপলক্ষে ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলাই জিলাই প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ অৰ্থাৎ ছুইপ কাৰ্যসূচীৰ অধীনত বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই অভিযানে চহৰ-নগৰ আৰু গ্ৰামাঞ্চলকে ধৰি সকলো শ্ৰেণীৰ জনসাধাৰণক সামৰি লৈছে। বিশেষকৈ নৱপ্ৰজন্মৰ ভোটদাতাসকলৰ মাজত এই বিষয়ত সজাগতা সৃষ্টি কৰি তেওঁলোকক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে প্ৰয়াস চলোৱা হৈছে।

১০০ শতাংশ ভোটদান সুনিশ্চিত কৰাৰ লক্ষ্যৰে কালি যোৰহাট নিৰ্বাচনী জিলাৰ ছুইপ কোষৰ উদ্যোগত জিলাখনৰ অন্তৰ্গত চাৰিটা বিধানসভা সমষ্টিত শপতগ্ৰহণ কৰা হয়। সমষ্টিকেইটাৰ অন্তৰ্গত এহেজাৰ ২৯৫টা অংগনবাড়ী কেন্দ্ৰত অনুষ্ঠিত এই বিশেষ শপতগ্ৰহণ অনুষ্ঠানত সমাজকল্যাণ বিভাগৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া, মুখ্য সেৱিকা, অংগনবাড়ী কৰ্মী, সহায়িকা, কেন্দ্ৰসমূহৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। ছুইপ

কোষৰ দ্বাৰা আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে গণতন্ত্ৰৰ সৰ্ববৃহৎ উৎসৱত প্ৰতিগৰাকী ভোটাৰৰ সক্ৰিয় অংশগ্ৰহণত আলোকপাত কৰা হয়।

০০০০০০

নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদিকা দিব্যা মাৰ্ডেনাই কালি ভাৰতীয় জাতীয় কংগ্ৰেছ দলে প্ৰস্তুত কৰা অসম বিধানসভাৰ নিৰ্বাচনী ইস্তাহাৰ ঘোষণা কৰে। নতুন বৰ অসম, হাতত হাত ধৰো, নতুন অসম গঢ়ো- সংকল্পৰে ডিব্ৰুগড়ৰ ৰাজীৱ ভৱনত অনুষ্ঠিত এটা অনুষ্ঠানত এই ইস্তাহাৰ ঘোষণা কৰা হয়। এই অনুষ্ঠানত ৰাজস্থানৰ বিধায়িকা দিব্যা মাৰ্ডেনাই বিজেপি আৰু অসম চৰকাৰক সমালোচনা কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত বিধায়িকাগৰাকীয়ে বৰ্তমানৰ চৰকাৰখনে ঋণ লৈ ৰাজ্যখনক  আৰ্থিক দুৰৱস্থাৰ মুখলৈ ঠেলি দিয়া বুলিও অভিযোগ কৰে।

০০০০০০

যোৰহাটৰ জিলা আয়ুক্ত জয় শিৱানীয়ে কালি জিলাখনৰ নৱনিৰ্মিত আয়ুক্তৰ কাৰ্যালয়ৰ নিৰ্মাণৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ এই সন্দৰ্ভত জিলা প্ৰশাসনৰ অন্যান্য বিষয়া আৰু নিৰ্মাণ কাৰ্যৰ সৈতে জড়িত অভিযন্তাসকলৰ সৈতে বিতংভাৱে আলোচনা কৰে। আয়ুক্তগৰাকীয়ে নিৰ্মাণ কাৰ্য নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে কামৰ গুণগত মান সন্দৰ্ভতো দৃষ্টি ৰাখিবলৈ আহ্বান জনায়।

০০০০০০

সমাগত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি মাজুলীৰ জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকে কালি আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত জিলা আয়ুক্তই বিশেষকৈ নিৰ্বাচনৰ সময়ত নিয়োজিত হ'বলগীয়া জোৱানসকলৰ থকা-মেলা আৰু খোৱা-বোৱাৰ সুব্যৱস্থাৰ লগতে তেওঁলোকৰ স্বাস্থ্যসেৱাৰ বাবে স্থাপন কৰা চিকিৎসা শিবিৰসমূহৰ বুজ লয়। ইয়াৰ উপৰি নিৰ্বাচনৰ পূৰ্বৰ দিনটো আৰু নিৰ্বাচনৰ দিনা পালন কৰিবলগীয়া পৰিকল্পনাসমূহৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰে। দেশৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি নিৰ্বাচন শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধভাৱে সম্পন্ন কৰিবলৈ সকলোধৰণৰ প্ৰস্তুতি সম্পন্ন কৰা হৈছে।

০০০০০০

**সমাপ্ত**